**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-02-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## *HEADLINES*

১। ভাৰতে অকল নতুন প্ৰযুক্তি বিকশাই তোলাই নহয়, বৰং ক্ষিপ্ৰতাৰে এনে প্ৰযুক্তি আঁকোৱালি লৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসমলৈ আহিব।

৩। ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ আজিৰে পৰা আৰম্ভ হৈছে।

৪। কুখ্যাত মাওবাদী নেতা সুৰেশ কোড়াৰ আত্মসমৰ্পণৰ লগে লগে বিহাৰ নক্সালবাদী কাৰ্যকলাপৰপৰা মুক্ত হোৱা বুলি ঘোষণা কৰা হৈছে।

আৰু

৫। তামিলনাডু বিধানসভা নিৰ্বাচনৰ প্ৰাক্ক্ষণত ডি এম ডি কে দলটো ডেম’ক্ৰেটিক প্ৰগ্ৰেছিভ এলায়েঞ্চত চামিল হৈছে।

০০০০০০০

ভাৰতে অকল নতুন প্ৰযুক্তি বিকশাই তোলাই নহয়, বৰং ক্ষিপ্ৰতাৰে এনে প্ৰযুক্তি আঁকোৱালি লৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি পুৰা ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ শীৰ্ষ সন্মিলন, ২০২৬ মুকলি কৰি শ্ৰী মোদীয়ে ভাৰতবৰ্ষক বিশ্বৰ সৰ্ববৃহৎ প্ৰযুক্তি কেন্দ্ৰ হিচাপে অভিহিত কৰে। তেওঁ কয়, যে নতুন দিল্লীত কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষ সন্মিলন আয়োজন কৰাটো ভাৰত আৰু গ্ল’বেল ছাউথ হিচাপে পৰিচিত তুলনামূলকভাৱে অৰ্থনৈতিক আৰু ঔদ্যোগিক দিশৰ পৰা কম উন্নত ৰাষ্ট্ৰসমূহৰ বাবে গৌৰৱৰ কথা। তেওঁ কয়, যে কৃত্ৰিম বুদ্ধিমত্তাই মানৱ ইতিহাসত ৰূপান্তৰকাৰী অধ্যায়ৰ সূচনা কৰিছে। শ্ৰী মোদীয়ে কয়, যে মানৱ ইতিহাসৰ এনে কিছুমান সন্ধিক্ষণ থাকে, যিবোৰে গোটেই শতিকাৰ ৰূপৰেখা প্ৰস্তুত কৰে। এনে সন্ধিক্ষণসমূহে সভ্যতাৰ দিশ নিৰ্ণয় আৰু উন্নয়নৰ গতি ত্বৰান্বিত কৰে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয়, যে কৃত্ৰিম বুদ্ধিমত্তাই যন্ত্ৰপাতিৰ দক্ষতা বৃদ্ধি কৰিছে আৰু একে সময়তে মানুহৰ সামৰ্থ কেইবাগুণো বৃদ্ধি কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে Machine Learing to Learning Machine অৰ্থাৎ যন্ত্ৰৰ জৰিয়তে শিকণৰ পৰা যন্ত্ৰৰ বিষয়ে শিকাৰ এই গোটেই প্ৰক্ৰিয়াটো অকল দ্ৰুতই নহয়, বৰং গভীৰ আৰু ব্যাপকো। সেয়েহে সকলোৰে দূৰদৃষ্টিৰ পৰিচয় দি নিষ্ঠাসহকাৰে নিজৰ দায়িত্ব পালন কৰা উচিত। তেওঁ কয়, যে বৰ্তমানৰ প্ৰজন্মৰ লগতে অনাগত প্ৰজন্মক কি ধৰণৰ কৃত্ৰিম বুদ্ধিমত্তা প্ৰদান কৰা হ’ব, সেই বিষয়ে সকলোৰে চিন্তা কৰা উচিত। কৃত্ৰিম বুদ্ধিমত্তা গণতান্ত্ৰিকীকৰণত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে এই প্ৰযুক্তি বিশেষকৈ গ্ল’বেল ছাউথ ৰাষ্ট্ৰসমূহৰ বাবে অন্তৰ্ভুক্তি আৰু সৰলীকৰণৰ আহিলাৰূপে পৰিগণিত হোৱা উচিত।

সন্মিলনত অংশগ্ৰহণ কৰি ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাক্ৰ'ই কয়, যে যোৱা বছৰ ফ্ৰান্স আৰু ভাৰতৰ সহ অধ্যক্ষতাত পেৰিছত আয়োজিত কৃত্ৰিম বুদ্ধিমত্তা কাৰ্যব্যৱস্থা শীৰ্ষ সন্মিলনত এই প্ৰযুক্তিৰ বাবে গোলকীয় পথ প্ৰদৰ্শনৰ নীতি নিৰ্ধাৰণ কৰা হৈছিল আৰু এই নীতিসমূহে সমাজ আৰু অৰ্থব্যৱস্থাৰ আমুল পৰিৱৰ্তন সাধন কৰিব বুলি আশা কৰা হৈছে। তেওঁ কয়, যে কৃত্ৰিম বুদ্ধিমত্তাই দ্ৰুত উদ্ভাৱন, স্বাস্থ্য সেৱা, শক্তি, পৰিবহণ, কৃষি আৰু ৰাজহুৱা সেৱাসমূহ সুগম কৰি তোলাত সহায় কৰিব। ভাৰতবৰ্ষই এনে কিছু কাম কৰিছে, যিবোৰ বিশ্বৰ কোনো দেশে কৰিব পৰা নাই বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে।

তেওঁ কয়, যে ১৪০ কোটি জনসাধাৰণৰ বাবে ডিজিটেল পৰিচয় পত্ৰ, মাহিলী দুহেজাৰ কোটি টকা লেনদেন হোৱা ধনাদায় ব্যৱস্থা আৰু ৫০ কোটি ডিজিটেল স্বাস্থ্য পৰিচয় জাৰি কৰা স্বাস্থ্য আন্তঃগাঁথনিৰে ভাৰতে অসম্ভৱকো সম্ভৱ কৰি তুলিছে। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্ট'নিঅ' গুটেৰেছে সন্মিলনত ভাষণ দি কয়, যে  কৃত্ৰিম বুদ্ধিমত্তা প্ৰযুক্তি সকলোৰে বাবে সুলভ হোৱা উচিত। বিশ্বৰ কেইখনমান দেশে কৃত্ৰিম বুদ্ধিমত্তাৰ ভৱিষ্যত নিৰ্ণয় কৰিব নোৱাৰে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰী গুটেৰেছে উন্নয়নশীল দেশসমূহত বুনিয়াদী সা-সুবিধা গঢ়ি তোলাৰ বাবে বিশ্ব কৃত্ৰিম বুদ্ধিমত্তা পুঁজি গঠন কৰিবলৈ আহ্বান জনায়।

সন্মিলনত অংশগ্ৰহণ কৰা বিশ্বৰ বিভিন্ন দেশৰ নেতাসকলক আদৰণি জনাই কেন্দ্ৰীয় ইলেক্ট্ৰনিক্চ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে চৰকাৰে কৃত্ৰিম বুদ্ধিমত্তাৰ পাঁচোটা পৰ্যায়তে  কাম কৰি আছে। তেওঁ কয়, যে চৰকাৰে কম্পিউটাৰৰ ব্যৱহাৰক জনহিতৈষী বুলি গণ্য কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে উমৈহতীয়া কম্পিউট মঞ্চ গঢ়ি তুলিছে আৰু ইয়াৰ জৰিয়তে ষ্টাৰ্টআপ প্ৰতিষ্ঠান, গৱেষক, শৈক্ষিক প্ৰতিষ্ঠান আৰু শিক্ষাৰ্থীসকলক সুলভ মূল্যৰ ৩৮ হাজাৰ জি পি ইউ যোগান ধৰা হৈছে। অচিৰেই আৰু ২০ হাজাৰ জি পি ইউ এই মঞ্চৰ সৈতে সংযুক্ত কৰা হ'ব বুলি শ্ৰী  বৈষ্ণৱে জানিবলৈ দিয়ে। তেওঁ কয়, যে কৃত্ৰিম বুদ্ধিমত্তা একপ্ৰকাৰৰ বুনিয়াদী প্ৰযুক্তি আৰু এই প্ৰযুক্তিয়ে জনসাধাৰণৰ কাম কৰা, শিক্ষা আৰু সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়ালৈ পৰিৱৰ্তন আনিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰযুক্তিৰ উপকাৰ জনসাধাৰণলৈ লৈ যাব পৰাটোৱেহে ইয়াৰ প্ৰকৃত মূল্য হিচাপে গণ্য কৰা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসমত উপস্থিত হ'ব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰীশ্বাহে কাইলৈ দিনৰ চাৰে ১০ বজাত কাছাৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী কাটিগড়াৰ নাটানপুৰ গাঁও পৰিদৰ্শন কৰিব। তেওঁ অবৈধ প্ৰব্ৰজন আৰু সীমান্তৰে চলা অপৰাধ নিয়ন্ত্ৰণৰ বাবে সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ প্ৰগতি আৰু সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনা কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে শিলচৰৰ পৰা ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায়ো আনুষ্ঠানিকভাৱে মুকলি কৰিব। কেন্দ্ৰীয় চৰকাৰৰ পুঁজিৰে ৰূপায়ণ কৰা এই উদ্যমৰ জৰিয়তে সীমামূৰীয়া গাঁওসমূহক অত্যাধুনিক পথ, দূৰসংযোগ আৰু বহনক্ষম কৰ্মসংস্থাপন সুযোগেৰে আত্মনিৰ্ভৰ  কেন্দ্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। শনিবাৰে তেওঁ গুৱাহাটীৰ সৰুসজাইত চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱস কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। কেন্দ্ৰীয় বাহিনীটোৱে এইবাৰ প্ৰথমবাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত প্ৰতিষ্ঠা দিৱসৰ ৰাষ্ট্ৰীয় কুচ-কাৱাজৰ আয়োজন কৰিছে। শ্ৰী শ্বাহে লগতে সোণাপুৰৰ কচুতলীত দশম অসম আৰক্ষী বেটেলিয়নৰ নতুন ছাউনীৰ আধাৰশিলা স্থাপন কৰিব।

ইপিনে, দুদিনীয়া কাৰ্যসূচীৰে কংগ্ৰেছ নেত্ৰী তথা অসম প্ৰদেশ কংগ্ৰেছৰ নিৰীক্ষণ কমিটীৰ অধ্যক্ষা প্ৰিয়ংকা গান্ধী আজি গুৱাহাটীত উপস্থিত হয়। কংগ্ৰেছ নেত্ৰীগৰাকীক বৰঝাৰ বিমান বন্দৰত দলীয় নেতা-

কৰ্মীসকলে আদৰণি জনায়। সাংসদ গান্ধীয়ে বৰঝাৰ বিমান বন্দৰৰ পৰা পোনে পোনে কামাখ্যা মন্দিৰলৈ ৰাওনা হয় আৰু দেৱীৰ আশিস গ্ৰহণ কৰে। নেত্ৰীগৰাকী সম্প্ৰতি ৰাজীৱ ভৱনত দলীয় কাম-কাজত ব্যস্ত আছে। তেওঁ আজি কংগ্ৰেছৰ কাৰ্যকৰ্তাসকলৰ সৈতেও বৈঠকত মিলিত হ'ব। কৰ্ণাটকৰ উপ-মুখ্য মন্ত্ৰী তথা জ্যেষ্ঠ কংগ্ৰেছ নেতা ডি কে শিৱকুমাৰেও আজি গুৱাহাটীত উপস্থিত হৈ কামাখ্যা মন্দিৰত সেৱা লয়।

0000000

ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ আজি আৰম্ভ হৈছে। দেশৰ বিভিন্ন প্ৰান্তত কালি সন্ধিয়া জোন দেখা পোৱাৰ পিছত আজিৰে পৰা ইছলাম ধৰ্মাৱলম্বী লোকসকলে তেওঁলোকৰ পৱিত্ৰ ৰমজান মাহ পালন কৰিছে। ৰমজান হৈছে ইছলামিক কেলেণ্ডাৰৰ নৱম মাহ আৰু এই পৱিত্ৰ মাহত এমাহজোৰা উপৱাসৰ অন্তত ঈদ-উল-ফিটৰ পালন কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৱিত্ৰ ৰমজান উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে এই পৱিত্ৰ মাহে সমাজত একতাৰ এনাজৰী অধিক সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে সকলোৰে সুখ-সমৃদ্ধি কামনা কৰে।

0000000

কুখ্যাত মাওবাদী নেতা সুৰেশ কোড়াৰ আত্মসমৰ্পণৰ লগে লগে বিহাৰক সকলোবোৰ নক্সালবাদী কাৰ্যকলাপৰপৰা মুক্ত হোৱা বুলি ঘোষণা কৰা হৈছে। এই অন্তিমজন মাওবাদী নেতাই বিহাৰৰ মুঙ্গেৰ অঞ্চলৰ আত্মসমৰ্পণ কৰাৰ কথা ঘোষণা কৰি সহকাৰী আৰক্ষী প্ৰধান ৰাকেশ কুমাৰে জানিবলৈ দিয়া মতে নক্সাল অধ্যুষিত পূৰ্বৰ ২৩ খন জিলা এতিয়াৰে পৰা এনে কাৰ্যকলাপৰপৰা সম্পূৰ্ণ মুক্ত। মুঙ্গেৰ জিলাৰ বিচাৰপতি নিখিল ধনৰাজ নিপ্পানিকাৰে জানিবলৈ দিয়া মতে সুৰেশ কোড়াক কেন্দ্ৰীয় চৰকাৰৰ আত্মসমৰ্পণ আৰু পুনৰ সংস্থাপন আঁচনিৰ অধীনত সংস্থাপন দিয়াৰ ব্যৱস্থা কৰা হ'ব। উল্লেখযোগ্য যে ২০১২ চনত বিহাৰৰ ২৩ খন জিলাত নক্সালবাদী কাৰ্যকলাপে বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল আৰু ইয়াৰ পৰিণতিত ৰাজ্যখনৰ উন্নয়নৰ গতি লেহেমীয়া হৈ পৰিছিল। যোৱা বছৰত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বাবে এটাও নক্সালবাদী কাৰ্যকলাপ সংঘটিত হোৱা নাছিল। ইয়াৰ লগতে ২০২৫ৰ বছৰটোতে ২২০ জন নক্সালবাদীক গ্ৰেপ্তাৰ কৰাৰ সাফল্যই শান্তিৰ পৰিৱেশ বৰ্তাই ৰখাৰ লগতে ৰাজ্যখনে বিকাশৰ দিশে আগবাঢ়ি যাবলৈ সমৰ্থ হৈছিল। ইপিনে, সুৰেশ কোড়াৰ আত্মসমৰ্পণৰ সিদ্ধান্তই পৰিয়ালৰ মাজতো আনন্দৰ বতৰা কঢ়িয়াই আনিছে বুলি নেতাজনৰ পত্নীয়ে জানিবলৈ দিছে।

0000000

তামিলনাডু বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত প্ৰয়াত অভিনেতা, ৰাজনীতিবিদ বিজয়কান্তে প্ৰতিষ্ঠা কৰা ডি এম ডি কে দলটো ডি এম কে নেতৃত্বাধীন ডেম'ক্ৰেটিক প্ৰগ্ৰেছিভ এলায়েঞ্চত চামিল হয়। আজি এখন সংবাদমেলত ডি এম ডি কে দলৰ সাধাৰণ সম্পাদক প্ৰেমালাথা বিজয়কান্তই কয় যে এইবাৰ প্ৰথমবাৰৰ বাবে দলটোৱে ডি এম কেৰ সৈতে মিত্ৰতা কৰিব। বিধানসভা নিৰ্বাচনৰ সন্মুখীন হোৱাৰ বাবে দলটোৱে কেইবাবাৰো এ আই এ ডি এম কেৰ সৈতে মিত্ৰতা কৰিছিল।

0000000

শ্ৰীলংকাৰ কাৰাগাৰৰ পৰা মুক্তি লাভ কৰা ১১ জন মাছমৰীয়া চেন্নাইত আহি উপস্থিত হৈছে। দেশখনৰ নৌসেনাই যোৱা বছৰৰ জুলাই মাহত আন্তঃৰাষ্ট্ৰীয় জলসীমা অতিক্ৰম কৰাৰ অপৰাধৰ বাবে এই মাছমৰীয়া কেইজনক গ্ৰেপ্তাৰ কৰি দেশখনৰ কাৰাগাৰলৈ প্ৰেৰণ কৰিছিল। এই মাছমৰীয়াসকলৰ ৪ জন

তামিলনাডুৰ ৰামানাথাপুৰমৰ আৰু আন ৭ জন নাগাপাট্টিনম আৰু মায়িলাদুথুৰাই জিলাৰ বাসিন্দা। শ্ৰীলংকাৰ কাৰাগাৰৰ পৰা মুক্তি লাভ কৰাৰ পাছত মাছমৰীয়া কেইজনক ভাৰতীয় কৰ্তৃপক্ষক চমঝাই দিয়া হয়।

0000000

সমাপ্ত